# আমাৰ গাওঁ – অতুল চন্দ্ৰ হাজৰিকা

## Chapter – 1

## অংকুৰণ

## ASSAMESE

---

**কবি পৰিচয় :-** গুৱাহাটীৰ উজান বজাৰত ১৯০৩ চনত অতুল চন্দ্ৰ হাজৰিকাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল ব্যাকান্ত হাজৰিকা। অতুল চন্দ্ৰ হাজৰিকা এগৰাকী বিখ্যাত কবি, শিশু সাহিত্যিক আৰু নাট্যকাৰ। তেওঁ কেইবাখনো কবিতা পুথি, নাটক আৰু শিশু গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যক চহকী কৰি থৈ গৈছে। বৃত্তিত তেওঁ আছিল এগৰাকী মহাবিদ্যালয়ৰ অধ্যাপক। দীপালী, পাঞ্চজন্য, তপোবন, মণিমালা আদি তেখেতৰ কবিতাপুথি ; নৰকাসুৰ, কনৌজ কুঁৱৰী, কুৰুক্ষেত্ৰ, বেউলা, সাবিত্ৰী, টিকেন্দ্ৰজিৎ, শকুন্তলা আদি প্ৰখ্যাত নাটকৰ লগতে কথা-দশম, কাব্যকাহিনী, কাব্যকথা, ভাৰত জেউতি আদি তেওঁৰ প্ৰখ্যাত গ্ৰন্থ। মঞ্চলেখা নামৰ নাট বিষয়ক মূল্যৱান গ্ৰন্থখনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।১৯৮৬ চনত গুৱাহাটীত এইজনা প্ৰখ্যাত কবি, নাট্যকাৰ তথা শিশু সাহিত্যিকৰ পৰলোক প্ৰাপ্তি ঘটে।

**কবিতাটোৰ সাৰাংশ :-** কবিৰ মনত তেওঁ ওপজা গাওঁখন বৰ ধুনীয়া আৰু মনোমহা। পদূলি মুখত ফুলি থকা গধূলি গোপাল, তামোল-পানেৰে ভৰা বাৰী, ৰাজহাঁহ চৰি থকা পুখুৰী, মৌৰে বাহ লোৱা ঔগছ, গছে-বনে বগাই ফুৰা চৰাই-চিৰিকটি, বিবিধ ফুল, পখিলা, গোহালি ভৰা গৰু ত দিবে গাওঁখনৰ দৰে ঘৰখনো শুৱনি। গাওঁৰ বকুল তলৰ বাট, পানীভবা নঘাট, মাজ মজিয়াত থকা নামঘৰ, গাওঁৰ চাবিওদিশ শোভা কৰি থকা শইচ-সোণালী পথাৰ আদিয়ে গাওঁখনৰ শোভা বৰ্দ্ধন কৰি গাওঁখনক মনোমোহা কৰি তুলিছে। এনে মনোমোহা গাওঁখনতে বহিম, মহিম, পদুমী, কদমী আদিয়ে ঐক্য-সংহতি ৰক্ষা কৰি মিলিজুলি বাস কৰে। গাওঁব লোক সহজ-সৰল আৰু ইজন-সিজনৰ লগত মৰম চেনেহৰ সম্বন্ধ আছে। এইবোৰে গাওঁৰ জীৱন সকলোৰে বাবে সুখকব, আকৰ্ষণীয় আৰু মৰম-চেনেহৰ হাট স্বৰূপ কৰি তুলিছে। এনেবোৰ কাৰণতে কবিয়ে ওপজা গাওঁখনক কবিয়ে প্ৰাণভৰি ভাল পায় আৰু ইয়াৰ স্বাভাৱিক প্ৰাকৃতিক ৰূপত মুগ্ধ হয়।

**ক্ৰিয়া-কলাপ**

### ক -পাঠভিত্তিক প্ৰশ্নোত্তৰ

**প্ৰঃ ১। পদ্যটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ কৰো আহা।**

উত্তৰ :- নিজে পঢ়া আৰু আবৃত্তি কৰা।

**২। কওঁ আহা :**

**(ক) পদূলি মুখত কি ফুল ফুলে ?**

উত্তৰ :- পদূলি মুখত গধূলিগোপাল ফুলে।

(খ) গাওঁৰ পুখুৰীত কি হাঁহ চৰে ?

উত্তৰ :- গাওঁৰ পুখুৰীত ৰাজহাঁহ চৰে।

**(গ) পথাৰখন দেখিবলৈ কেনেকুৱা ?**

উত্তৰ :- পথাৰখন পকা ধানেৰে দেখিবলৈ সোণালী বৰণীয়া।

**(ঘ) গাওঁৰ ৰাইজে মিলিজুলি কি কৰে ?**

উত্তৰ :- গাওঁৰ ৰাইজে মিলিজুলি একেখন গাওঁতে মৰমৰ হাট পাতি থাকে।

**(ঙ) কি কি শুৱনি বস্তুৰে গাওঁখন ভৰি আছে ?**

উত্তৰ :- গাওঁখন ভৰি থকা শুৱনি বস্তুবোৰ হ'ল–ঘৰবাৰী পদূলি মুখত ফুলি থকা ফুল, ৰাজহাঁহ চৰি থকা পুখুৰী, তামোল-পানব বাৰী, পকা। ধানৰ সোণালী পথাৰ, নানা বৰণীয়া ফুল, পখিলা, গোহালি ভৰা গৰু,। পানী ভৰা নৈঘাট, বকুল তলব বাট আৰু সহজ-সবল জীৱনযাপন কৰা মানুহবোৰৰ মাজত থকা মিলা প্ৰীতি।

**(চ) পদ্যটিত একেটি থুপিৰে ফুল বুলি কাক কোৱা হৈছে ?**

উত্তৰ :- গাওঁৰ ভাই-ভণী ৰহিম, মহিম, দুল, পদুমী, কদমী, মেলিনা, ছখিনাক একোটি থুপিৰে ফুল বুলি কোৱা হৈছে।

**প্ৰঃ ২। আমাৰ গাওঁ পদ্যটিৰ প্ৰথম আঠশাৰীৰ কথাখিনি নিজৰ কথাৰে কোৱা।**

উত্তৰ :- গাওঁখন শুৱনি ঘৰ-বাৰীৰে ভৰা। পদূলি মুখত গধূলিগোপালে শোভা কৰি থাকে। তামোল-পাণেৰে ভৰি থাকে শুৱনি বাৰীখন। সোণ বৰণীয়া পকা ধানেৰে ভৰি থকা পথাৰখনৰ ৰূপে মানুহৰ মন-প্ৰাণ আনন্দিত হয়। এই সমূহৰ সমাহাৰত গাওঁৰ প্ৰাকৃতিক শোভা মনোমুগ্ধকৰ হৈ উঠে।

**প্ৰঃ ৩। পদ্যটি পঢ়ি তুমি বুজি নোপোৱা শব্দবোৰ চিনাক্ত কৰা। সেইবোৰৰ অৰ্থ দলত আলোচনা কৰি লিখা।**

উত্তৰ :-

| **শব্দ** | **অৰ্থ** |
|---|---|
| শুৱনি | দেখিবলৈ ধুনীয়া, মনোমোহা। |
| ভৰা | পূৰ্ণ, ভৰ্তি হৈ থকা, ভৰি থকা। |
| পদূলি মুখ | ঘৰৰ সন্মুখ ভাগ। |
| মনোহৰ | মনোমুগ্ধকৰ, মনোৰম। |
| চৰে | বিচৰণ কৰে। |
| সোণালী | সোণ বৰণীয়া। |
| গছজুপি | গছজোপা। |
| ৰচকী | উৎসাহী, চঞ্চলা। |
| সুৱদি | শুনিবলৈ ভাল, সুৰীয়া, লয়যুক্ত। |
| গঞাালোক | গাওঁলীয়া মানুহ। |
| মিলিজুলি | সমিলমিল। |
| সৰে | সকলোৰে। |
| হাট | বজাৰ। |
| নামঘৰ | প্ৰাৰ্থনা গৃহ। |

**প্ৰঃ ৪। লিখা :**

**(ক) পদ্যটোত থকা মানুহৰ নাম লিখা।**

উত্তৰ :- পদ্যটোত থকা মানুহৰ নামকেইটা হ'ল—ৰহিম, মহিম, দুল, পদুমী, কদমী, মেলিনা, ছখিনা।

**(খ) পদ্যটোত থকা শুৱনি বস্তুবোৰৰ নাম লিখা।**

উত্তৰ :- পদ্যটোত থকা শুৱনি বস্তুবোৰৰ নাম হ'ল— শুৱনি ঘৰ, তামোল-পাণৰ বাৰী, পদূলিমুখত ফুলি থকা গধূলিগোপাল, ধানেৰে ভৰি থকা সোণালী পথাৰ, ৰাজহাঁহ চবি থকা পুখুৰী, মৌৰে বাহ লোৱা ঔ-গছ, বিবিধ চৰাই-চিৰিকটি আৰু ফুল, ৰচকী পখিলা, গোহালিভৰা গৰু-গাইবোৰ, নামঘৰ, পানী ভৰা নৈঘাট আদি।

**(গ) পদ্যটোত বিচাৰি উলিয়াই লিখা।**

উত্তৰ :-

| **'ৰ' আখৰটো প্ৰথমতে থকা শব্দ** | **'ৰ' আখৰটো মাজত থকা শব্দ** | **'ৰ' আখৰটো শেষত থকা শব্দ** |
|---|---|---|
| ৰাজহাঁহ | বাৰীখনি | আমাৰ, ভৰা, |
| ৰহিম | বাটৰুৱা | মনোহৰ, পথাৰ, |
| ৰচকী | মৰমৰ | গছৰ, গাওঁৰ, |
| | | পুখুৰী, চৰে, |
| | | নামঘৰ, বকুলৰ, |
| | | থুপিৰ, মুখৰ |

**খ – ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)**

**প্ৰঃ ১। তলৰ স্বৰচিহ্নযুক্ত বৰ্ণকেইটাৰ ৰূপ সলনি কৰি দুটাকৈ শব্দ গঠন কৰা।**

উত্তৰ :-

| |
|---|
| যেনে — **শূ** →**শু**→**শিশু শুৱনি** |
| ৰু → ৰু → গৰু সৰু |
| ৰূ → ৰূ → ৰূপ ৰূপালী |
| হূ → হু → হুদু হুকম |
| গু → গু → গুটিমালি গুৱাহাটী |

**প্ৰঃ ২। তলত দিয়া প্ৰতিটো শব্দৰে দুটাকৈ বাক্য সাজোঁ আহা—**

উদাহৰণ : **শুৱনি :-** আমাৰ গাওঁখন অতি শুৱনি।

হৰিণাৰ চুকুযুৰি শুৱনি।

**শব্দ :-** মনোহৰ, ৰচকী, মিলিজুলি।

উত্তৰ :- **মনোহৰ :-** (১) পকা ধাননি পথাৰৰ মনোহৰ ৰূপ চাবলগীয়া।

(২) অসমৰ মনোহব প্ৰাকৃতিক ৰূপে মানুহক মুগ্ধ কৰে।

**ৰচকী :-** (১) সুনীতা এগৰাকী ৰচকী ছোৱালী।

(২) ৰচকী পখিলাই ফুলে ফুলে গুণগুণায়।

**মিলিজুলি :-** (১) গাওঁত মানুহে মিলিজুলি বসবাস কৰে।

(২) সকলোৰে মিলিজুলি থাকিলে সমাজত শান্তি বিৰাজ কৰে।

**প্ৰঃ ৩। তলত আঁচটনা শব্দৰ বিপৰীত অৰ্থ বুজোৱা শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা—**

**উদাহৰণ :-** সৰু নামঘৰ বৰ নামঘৰ।

**(ক) ভৰা বাৰীখনি ___বাৰীখনি**

উত্তৰ :- ভৰা বাৰীখনি খালি বাৰীখনি।

**(খ) পকা ধান ___ধান।**

উত্তৰ :- পকাধান কেঁচা ধান।

**(গ) তলেদি বাট ___বাট।**

উত্তৰ :- তলেদি বাট ওপৰেদি বাট।

## গ – জ্ঞান সম্প্ৰসাৰণ

**প্ৰঃ ১। পদ্যটোত নথকা কিন্তু তোমাৰ অঞ্চলত থকা শুৱনি বস্তুবোৰৰ বিষয়ে কোৱা।**

উত্তৰ :- পদ্যটোত নথকা কিন্তু আমাৰ অঞ্চলত থকা শুৱনি বস্তবোৰ হ'ল – সেউজীয়া দলিচা যেন লগা গাওঁৰ সন্মুখৰ গো-চৰণীয়া পথাৰ, নামঘৰৰ সন্মুখৰ প্ৰকাণ্ড বকুল জোপা, বিদ্যালয়ৰ ফুলনি বাগিছাখন, গছ-গছনি, ফুলনিৰে আবৃত গাওঁৰ বিষ্ণু মন্দিৰটো আদি।

**প্ৰঃ ২। বিভিন্ন পুথিৰ পৰা পদ্য সংগ্ৰহ কৰি পঢ়া।**

উত্তৰ : পুথিভঁৰালৰ পৰা কিতাপ সংগ্ৰহ কৰি 'আমাৰ গাওঁৰ দৰে কবিতাবোৰ টোকাবহী এখনত লিখি লৈ পঢ়া।

প্ৰঃ ৩। 'আমাৰ গাওঁ' পদ্যটোৰ সহায় লৈ নিজাকৈ আন এটা পদ্য লিখা।

উত্তৰ :-

মোৰ দেশ মোৰ গাওঁ

মই তোমাক ভাল পাওঁ

তোমাৰ কোলাত শুই মই

নিশাকালত টোপনি যাওঁ।

**প্ৰঃ ৪। তলৰ ছবিখন চাই দলত আলোচনা কৰা।ছবিখনত কি কি দেখা পালা সেই বিষয়ে প্ৰত্যেকেই চাৰিটাকৈ বাক্য লিখা।**



উত্তৰ :- ছবিখনত গছ-গছনি থকা মুকলি আলিবাটৰ কাষত ফল-মূল বিক্ৰী কৰি থকা মানুহজন দেখা গৈছে। ডাঙৰ গছজোপাৰ তলতে এটা পানীৰ কুঁৱা আছে। তিৰোতা এগৰাকীয়ে কুৱাটোৰ পৰা পানী তুলিবলৈ লৈছে। কেইজনমান বিক্ৰেতাই গ্ৰাহকক ফল-মূল বিক্ৰী কৰি থকা দেখা গৈছে। বস্তু বেচা-কিনা কৰা ঠাইখনৰ ওচৰে পাজৰে লোকবসতি আছে। লোকবসতিত গোহালিব কাযত গৰুও দেখা গৈছে। ইয়াৰ পৰা বস্তু বেচা-কিনা কৰা ঠাইখন গাওঁলীয়া অঞ্চলত বুলি বুজিব পাৰি।

## ঘ – প্ৰকল্প

**প্ৰঃ ১। বিভিন্ন ধৰ্মৰ উপাসনা-গৃহব ছবি সংগ্ৰহ কৰি সঠিক ঠাইত ছবিবোৰ লগোৱা।**

উত্তৰ :- মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰ, বৌদ্ধ মঠ, নামঘৰ আদিৰ ছবি সংগ্ৰহ কৰি এলবামত যুগুতাই থোৱা।




**প্ৰঃ ২। প্ৰত্যেকেই উপাসনা গৃহৰ বিষয়ে কোৱা।**

উত্তৰ :- প্ৰত্যেক মানুহৰ নিজা ধৰ্ম আৰু উপাসনা গৃহ আছে। এনে উপাসনা গৃহবোৰ হ'ল মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰ, বৌদ্ধমঠ, নামঘৰ আদি। প্ৰত্যেক মানুহ নিজ নিজ ধৰ্ম অনুসৰি নিজা উপাসনা গৃহত নিজৰ নিজৰ উপাস্য দেৱতাক প্ৰাৰ্থনা জনায়। হিন্দুৱে নামঘৰ, মন্দিব আদিত উপাসনা কৰে। ইছলাম ধৰ্মীলোকে মছজিদত প্ৰাৰ্থনা কৰে, খ্ৰীষ্টিয়ান সকলে গীৰ্জাত আৰু বৌদ্ধধৰ্মী সকলে বৌদ্ধ মঠ বা বৌদ্ধ বিহাৰত প্ৰাৰ্থনা জনায়। শিখধৰ্মী সকলে গুৰুদ্বাৰত প্ৰাৰ্থনা কৰে।

**প্ৰঃ ৩। গধূলিগোপাল সন্ধিয়া ফুলে। ৰাতিফুলা ফুলৰ এখন তালিকা কৰা।**

উত্তৰ :- ৰাতি ফুলা ফুলবোৰ হ'ল–শেৱালি, তগৰ, স্থলপদ্ম, ভেঁটফুল, ৰজনীগন্ধা, কামিনীকাঞ্চন, হাচনুহানা ইত্যাদি।

**প্ৰঃ ৪। তুমি দেখা চৰাইবোৰ নিৰীক্ষণ কৰা। তলৰ চৰাই দুবিধৰ যিয়ে দুটাকৈ বাক্য লিখা।**




উত্তৰ :- **(১) ঘনচিৰিকা :-** ঘনচিৰিকা এবিধ সৰু উৰণীয়া চৰাই। ই মানুহৰ বসতি অঞ্চলত বাস কৰে। বিভিন্ন শইচৰ খুদ-কণ, গছৰ গুটি আদি ই ভক্ষণ কৰে।

**(২) শালিকা :-** শালিকাও এবিধ সৰু আকৃতিৰ চৰাই। ই মানুহৰ বসতি অঞ্চলত বাস কৰে। ই শিকালে মানুহৰ দৰে মাত মাতিবলৈ শিকে। শইচৰ খুদ-কণেই শালিকাৰ প্ৰধান খাদ্য।

**প্ৰঃ ৫। বাৰীত তামোল-পাণৰ বাহিৰে আৰু কি কি ফলৰ গছ থাকে ? সেইবোৰৰ নাম লিখি তাৰ কাষত ফলবোৰৰ ছবি আঁকা।**

উত্তৰ :- বাৰীত তামোল-পাণৰ বাহিৰেও আম, কল, কঁঠাল, নাৰিকল, অমিতা, ৰবাৰ টেঙা, ডালিম, লিচু, বেল, কৰ্দৈ, আনাৰস আদিৰ গছ থাকে। (ছবি নিজে আঁকা।)